জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭/২০২১

# ভোগালী বিহু উপলক্ষে অসমবাসীলৈ আন্তৰিক ওলগ আৰু শুভেচ্ছা জনালে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ১২ জানুৱাৰী ঃ** বাপতি-সাহোন ভোগালী বিহু উপলক্ষে অসমবাসীলৈ আন্তৰিক ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক প্ৰেছ বাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৃষি ভিত্তিক এই উৎসৱ পালনৰ জৰিয়তে আমাৰ মাজত থকা কৰ্মদক্ষতা, কৃষি অৰ্থনীতি শক্তিশালী কৰাৰ বাবে সকলোকে অনুপ্ৰেৰণা যোগাব। মুখ্যমন্ত্ৰীয়ে লগতে কয় ভোগালী বিহুৰ মেজিয়ে আমাৰ সমাজখনক আলোকৰ বাটেৰে আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাব। ভোগালী বিহু উদ্‌যাপনে আমাৰ সমাজৰ পৰা অসূয়া, অশান্তি দূৰ কৰি বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰ মাজত এক নতুন আশাৰ সঞ্চাৰ কৰিব। এই বিহু পালনৰ জৰিয়তে অসমৰ বিভিন্ন শ্ৰেণীৰ জনসাধাৰণৰ মাজত থকা সাতামপুৰুষীয়া একতাৰ বান্ধোন অধিক সুদৃঢ় হোৱাৰ উপৰি ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নৰ বাবে সকলোকে অহোপুৰুষাৰ্থ কৰাৰ বাবে প্ৰেৰণা যোগাব। ভোগালীত আয়োজিত প্ৰীতিভোজে সম্প্ৰীতিৰ বান্ধোনেৰে সকলোকে ঐক্যবদ্ধ হৈ থকাৰ দিশতো এক নতুন চেতনা জাগ্ৰত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**বঃভাঃ / পুঃডেঃ**
**১২/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in